# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-08-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদ আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থাৰ ৰূপায়ণৰ বিষয়টোক ৰাজনৈতিক যুদ্ধলৈ পৰ্যবসিত নকৰি এই ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ সকলো ৰাজনৈতিক দলক আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰীয়ে স্বাধীনতা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰা বিভিন্ন দেশৰ নেতাসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান আজিৰে পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব।

৪। কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ৰাজস্থানৰ আলৱাৰত সৰস দুগ্ধ উৎপাদন চৌহদত নতুন দুগ্ধ উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

*আৰু*

৫। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে গালে টেষ্টৰ আজি দ্বিতীয় দিনা ২ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৮৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদ আৰু বিধানসভাত মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থাৰ ৰূপায়ণৰ বিষয়টোক ৰাজনৈতিক যুদ্ধলৈ পৰ্যবসিত নকৰি এই ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ সকলো ৰাজনৈতিক দলক আহ্বান জনাইছে। স্বাধীনতা দিৱস উপলক্ষে কালি লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে সকলো ৰাজনৈতিক দলক মহিলাৰ সন্মানৰ বাবে এখোজ আগবাঢ়ি আহিবলৈ আৰু যথা শীঘ্ৰে বিধানসভা তথা লোকসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ ব্যৱস্থাৰ ৰূপায়ণৰ বাবে একেলগে কাম কৰিবলৈ কয়। মহিলাসকলক নীতি প্ৰণয়নৰ ক্ষেত্ৰত সুযোগ দিয়া উচিত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

*-বাইট-*

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰা ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ আৰু মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জুকে ধৰি বিভিন্ন দেশৰ নেতাসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে।

নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহৰ ধন্যবাদৰ শলাগ লৈ শ্ৰীমোদীয়ে কয়, যে ভাৰত আৰু নেপালৰ মাজৰ বহুমুখী আৰু প্ৰাচীন সভ্যতাজনিত সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে একেলগে কাম কৰিবলৈ দুয়োখন দেশ প্ৰতিশ্ৰুতিবদ্ধ।

ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টোবগেক স্বাধীনতা দিৱসৰ শুভ কামনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতে ভূটানৰ সৈতে থকা বিশেষ আৰু শক্তিশালী সহযোগিতাত গুৰুত্ব প্ৰদান কৰি আহিছে।

শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলিগ্ৰিনিৰ শুভেচ্ছা বাৰ্তাৰ শলাগ লৈ প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ ভাৰত আৰু শ্ল'ভাকিয়াৰ মাজৰ সৰ্বাত্মক সহযোগিতা অধিক সুদৃঢ় কৰিবলৈ আগ্ৰহী।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি ভৱনত ৰাজকীয় অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দ, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী, কূটনীতিবিদ, সমাজৰ বিভিন্ন স্তৰৰ বিশিষ্ট ব্যক্তি আৰু বিভিন্ন চৰকাৰী কাৰ্যসূচীৰ একাংশ হিতাধিকাৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ছত্তিশগড়, গোৱা, মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ চহকী তথা সমৃদ্ধিশালী সংস্কৃতি-পৰম্পৰা প্ৰদৰ্শন কৰা হয়।

ooooo

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ভ্ৰমণকালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই, ছেংগলপট্টু, তিৰুৱৰুৰ আৰু টনজাবুৰত এলানি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

শ্ৰীৰাধাকৃষ্ণণে আজি ছেংগলপট্টুত এছ আৰ এম বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ ২২ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে চেন্নাইত নাগালেণ্ড, মণিপুৰ আৰু পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপালৰ প্ৰথম মৃত্যু বাৰ্ষিকীত অংশ ল'ব। পাছত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাইত ইক'জ অব এ নেচনেলিষ্ট মাইণ্ড নামৰ এখন গ্ৰন্থও উন্মোচন কৰিব।

শ্ৰীৰাধাকৃষ্ণণ কাইলৈ তিৰুৱৰুৰত তামিলনাডু কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত একাদশ সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব। তেওঁ লগতে টনজাবুৰত বিশ্ববিদ্যালয়ৰ মৰ্যাদাপ্ৰাপ্ত শস্ত্ৰ প্ৰতিষ্ঠানৰ ৪০ সংখ্যক বৰ্ষপূৰ্তি আৰু ৰূপালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত ভাগ ল'ব।

ooooo

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান আজিৰে পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ বাৰ্ষিক গ্ৰীষ্মকালীন কাৰ্যসূচীৰ অংশ হিচাপে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত এমাহৰ বাবে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বিনামূলীয়াকৈ এই উদ্যান মুকলি ৰখা হ'ব। অৱশ্যে বিয়লি ৫ বজাৰ পাছত উদ্যানখনত প্ৰৱেশ বন্ধ কৰি দিয়া হ'ব। এই সময়ছোৱাত প্ৰতি সোমবাৰে উদ্যান বন্ধ ৰখা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে এই দুটা দিনত ক্ৰমে ক্ৰীড়াবিদ আৰু শিক্ষকসকললৈ উদ্যানত বিশেষ প্ৰৱেশৰ সুবিধা প্ৰদান কৰা হ'ব। উদ্যানত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে নৰ্থ এভিনিউ পথৰ সমীপত থকা ৩৫ নম্বৰ দ্বাৰ ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক বিবৃতিযোগে আহ্বান জনোৱা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে উদ্যান পৰিদৰ্শনৰ সময় আগতীয়াভাৱে পঞ্জীয়ন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ৰাজস্থানৰ আলৱাৰ সৰস দুগ্ধ উৎপাদন চৌহদত এটা নতুন দুগ্ধ উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে বিভিন্ন দুগ্ধ প্ৰসংস্কৰণ প্ৰকল্প আৰু গো-খাদ্য প্ৰকল্পও ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজস্থানৰ ১৭ খন জিলাত ৬ হাজাৰ ২৬২ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক কামৰ আধাৰশিলা আৰু উদ্বোধন কৰা হ'ব। ইয়াৰ লগতে ৰোজগাৰ উৎসৱৰ অধীনত চাৰে ১০ হাজাৰতকৈও অধিক নৱনিযুক্ত প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব।

এই উপলক্ষে শ্ৰীশ্বাহে নতুন কেন্দ্ৰীয় সমবায় বেংক গঠনৰ কথা ঘোষণা কৰিব আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে বিভিন্ন কল্যাণমূলক আঁচনিৰ হিতাধিকাৰীলৈ ধন হস্তান্তৰ কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, এই সকলৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাৰ অধীনৰ হিতাধিকাৰীসকললো অন্তৰ্ভুক্ত কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদে 'ক্ষুদ্ৰ কৰদাতাৰ বৈদেশিক সম্পত্তি- প্ৰকাশ আঁচনি (FAST-DS) নিয়মাৱলী, ২০২৬' সন্দৰ্ভত অধিসূচিনা জাৰি কৰিছে। ইয়াৰ জৰিয়তে যোগ্য কৰদাতাসকলক নিৰ্দিষ্ট কৰ বা মাচুল পৰিশোধ কৰাৰ সময়ত অপ্ৰকাশিত বৈদেশিক সম্পত্তি আৰু বৈদেশিক আয়ৰ বিষয়ে প্ৰকাশ কৰাৰ সুবিধা প্ৰদান কৰিব। এই আঁচনিখন আজিৰে পৰা কাৰ্যকৰী হ'ব আৰু ইয়াৰ অধীনত সম্পত্তি আৰু আয়ৰ বিষয়ে প্ৰকাশ কৰাৰ অন্তিম সময় অহা ৩১ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে। ক্ষুদ্ৰ কৰদাতাৰ বৈদেশিক সম্পত্তি-প্ৰকাশ আঁচনি ২০২৬ হ'ল বিত্তীয় আইন, ২০২৬-ৰ চতুৰ্থ অধ্যায়ত অন্তৰ্ভুক্ত এককালীন স্বেচ্ছামূলক প্ৰকাশ আঁচনি।

কৰদাতাসকলৰ সজাগতা বৃদ্ধি কৰা আৰু আঁচনিখনৰ অধিক প্ৰসাৰৰ বাবে কৰা নিৰন্তৰ প্ৰচেষ্টাৰ অংশ হিচাপে আয়কৰ বিভাগে আঁচনি আৰু নিয়মাৱলীসমূহৰ এখন বিস্তৃত FAQ অৰ্থাৎ সঘনাই সোধা প্ৰশ্নসমূহৰ উত্তৰৰ নথি প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালৰ শিক্ষাৰ্থীসকলক বিনামূলীয়া অনলাইন প্ৰশিক্ষণ প্ৰদানৰ কথা ঘোষণা কৰিছে। স্বাধীনতা দিৱস উপলক্ষে কালি ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত শ্ৰীমোদীয়ে কয়, যে এই পদক্ষেপে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা শিক্ষাৰ্থীসকলৰ বিত্তীয় বোজা লাঘব কৰিব। সকলোৰে বাবে গুণগত শিক্ষা সুলভ কৰি তোলাৰ দিশৰ পৰা আগশাৰীৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে গুৰি ধৰিবলগীয়া এই পদক্ষেপক বৈপ্লৱিক বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ইয়াৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহ প্ৰশিক্ষণৰ নামত ব্যয় হোৱা লাখ লাখ টকা ৰাহি হ'ব।

***ৱাইট***

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে অহা এবছৰত ১ কোটি যুৱক-যুৱতীক কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰশিক্ষণ প্ৰদানৰ সিদ্ধান্ত লৈছে। এই প্ৰশিক্ষণে দেশৰ যুৱ প্ৰজন্মক গোলকীয়া কৃত্ৰিম বুদ্ধিমত্তা খণ্ডৰ অগ্ৰণী হিচাপে গঢ়ি তুলিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে দেশে মূল্য, মান আৰু দক্ষতাত গুৰুত্ব আৰোপ কৰাৰ সময় আহি পৰিছে।

প্ৰধানমন্ত্ৰীয়ে লগতে ৫ৰ পৰা ১৫ বছৰ বয়সৰ শিশু আৰু কিশোৰৰ প্ৰতিভা চিনাক্ত কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ গাঁও, চহৰ আৰু বিদ্যালয়সমূহত প্ৰতিভা সন্ধানী প্ৰতিযোগিতা আয়োজন কৰা হ'ব বুলিও ঘোষণা কৰে। তেওঁ কয়, যে শিশুসকলৰ প্ৰতিভা চিনাক্ত কৰি তেওঁলোকক দেশৰ বাবে ভাল খেলুৱৈ হিচাপে গঢ়ি তোলাৰ বাবে বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ভাৰতে বিশ্বৰ ক্ৰীড়া ক্ষেত্ৰত সুকীয়া স্থান গঢ়াৰ দিশত অগ্ৰসৰ হোৱা  বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে ২০৩০চনত ভাৰতে কমনৱেলথ গেমছৰ আয়োজন কৰি বুলিও জানিবলৈ দিয়ে।

০০০০০

ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন টেষ্টত কালি ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৮৮ ৰানৰ পৰা আজি দ্বিতীয় দিনা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব। প্ৰথম দিনৰ খেলৰ সমাপ্তিৰ পৰত কালি দেৱদত্ত পডিক্কলে ১৩১ আৰু ঋষভ পণ্টে ২৭ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে কে এল ৰাহুলে ৭৭ ৰান কৰা অৱস্থাত আঘাতৰ বাবে ইনিংছ আধৰুৱা ৰাখি স্বেচ্ছাই পেভিলিয়নলৈ উভতি যায়। ইয়াৰ আগয়ে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

০০০০০

**সমাপ্ত**